BIKALI COLLEGE LIBRARY



# 2025

## ASSAMESE

## ( Major )

Paper : ASS0500104

( অসমীয়া নাটক )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমৰ এটা লোক-নাট্যানুষ্ঠানৰ নাম লিখা।

(খ) প্ৰথম অসমীয়া সামাজিক নাটখনৰ নাম কি?

(গ) শংকৰদেৱৰ নাটসমূহৰ ভিতৰত কোনখন নাটকক নাট্যধৰ্মত শ্ৰেষ্ঠ বুলি কোৱা হয়?

(ঘ) 'অৰ্জুন-ভঞ্জন' নাটখন অন্য কি নামেৰে জনা যায়?

BIKALI COLLEGE LIBRARY



(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি?

(চ) শ্বেক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ থকা এখন অসমীয়া নাটকৰ নাম লিখা।

(ছ) অচ্যুত লহকৰে গঠন কৰা ভ্ৰাম্যমান নাট্যদলটোৰ নাম কি?

(জ) 'উৰুখা পঁজা' নাটকখনৰ নাট্যকাৰগৰাকীৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) অংকীয়া নাটৰ আৰম্ভণিৰ শ্লোক আৰু শেষৰ ভটিমাটোৰ নাম কি কি?

(খ) 'পাৰিজাত-হৰণ' নাট ৰচনা কৰোঁতে শংকৰদেৱে আধাৰ-গ্ৰন্থ হিচাপে লোৱা দুখন সংস্কৃত গ্ৰন্থৰ নাম লিখা।

(গ) নাটকৰ দুটা সংজ্ঞা প্ৰদান কৰা।

(ঘ) প্ৰথম অসমীয়া অনাতাঁৰ নাটখনৰ নাম কি? এই নাটখনৰ ৰচক কোন?

(ঙ) লোকনাট্যৰ উপাদান সম্বলিত দুখন অসমীয়া নাটকৰ নাম লিখা।

(চ) 'পাৰিজাত-হৰণ' নাটত নাৰদে পাৰিজাত ফুলপাহ কাক দিছিল আৰু সেই ফুলপাহ গ্ৰহণ কৰি তেওঁ কাক পিন্ধাই দিছিল?

BIKALI COLLEGE LIBRARY



(ছ) ‘পিম্পৰা-গুছোৱা’ ঝুমুৰাখনৰ দুটা মুখ্য চৰিত্ৰৰ নাম লিখা।

(জ) ‘জন্মযাত্ৰা’ নাটখনৰ আৰম্ভণিতে দৈত্য-দানৱৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ কোনে, কাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল?

(ঝ) ‘ৰাম-নৱমী’ নাটখন ৰচনা আৰু প্ৰকাশৰ চন দুটা লিখা।

(ঞ) ‘আহাৰ’ নাটখনত শৱদেহটো ক’ৰ পৰা চুৰি কৰি আনি, ক’ত লুকাই ৰাখিছিল?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অংকীয়া নাটৰ বৈশিষ্ট্য

(খ) অসমৰ যি কোনো এটি লোক-নাট্যানুষ্ঠান

(গ) বাটৰ নাট

(ঘ) ‘পাৰিজাত-হৰণ’ নাটৰ নাৰদ চৰিত্ৰ

(ঙ) মাধৱদেৱৰ নাট্য-প্ৰতিভা

(চ) ‘কাৰেঙৰ লিগিৰী’ নাটৰ সুন্দৰ চৰিত্ৰ

(ছ) অৰুণ শৰ্মাৰ নাটকত আধুনিকতা

(জ) ‘হনুমান সাগৰ বান্ধা চাঁউ’-ত লোক-উপাদান

BIKALI COLLEGE LIBRARY



৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া নাটকৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) 'ৰাম-নৱমী' নাটখনৰ মাজেৰে সমসাময়িক কালৰ অসমীয়া সমাজত থকা অন্ধবিশ্বাস, অজ্ঞানতা, শিক্ষাৰ অনগ্ৰসৰতা আদিৰ চিত্ৰ কিদৰে চিত্ৰিত হৈছে?

(গ) ঝুমুৰা হিচাপে 'পিম্পৰা-গুছোৱা'ৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) 'আহাৰ' নাটখনত এব্‌চাৰ্ড নাটৰ বৈশিষ্ট্য কিদৰে ৰক্ষিত হৈছে, আলোচনা কৰা।

(ঙ) 'হনুমান সাগৰ বান্ধা চাঁউ' নাটখনত যৌতুক বিৰোধী বাৰ্তা কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

★★★